# Telephone conversation between Prime Minister and Crown Prince of Abu Dhabi

May 25, 2020

## প্ৰধানমন্ত্ৰী মোডী আৰু আবু ধাবিৰ ৰাজকুমাৰৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 25, 2020

আজি আবু ধাবিৰ ৰাজকুমাৰ মহামান্য শেইখ মহম্মদ বিন জায়াদ অল নাহায়নৰ সৈতে টেলিফোন যোগে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে সংযুক্ত আৰৱ আমীৰশ্বাহীৰ চৰকাৰ আৰু সমূহ জনসাধাৰণলৈ ঈদ-উল-ফিতৰৰ শুভেচ্ছা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই ক’ভিড-19 মহামাৰীৰ সময়ত পৰস্পৰে পৰস্পৰৰ প্ৰতি আগবঢ়োৱা সহযোগিতাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। সংযুক্ত আৰৱ আমীৰশ্বাহীত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবে প্ৰধানমন্ত্ৰী শ্ৰী মোডীয়ে ৰাজকুমাৰক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাজকুমাৰ, ৰাজ পৰিয়ালৰ লগতে দেশখনৰ জনসাধাৰণৰ সু-স্বাস্থ্য আৰু কল্যাণৰ বাবে শুভেচ্ছা জ্ঞাপন কৰ।

**নতুন দিল্লী**
**মে’ 25, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.